**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 26-05-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**:::::::::::::::::::**

১। রাষ্ট্রপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজিৰে পৰা তিনিদিনীয়া ভ্ৰমণসূচী লৈ ছিকিমলৈ যাব।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে আজি নতুন দিল্লীত কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ বৈদেশিক মন্ত্ৰীসকলৰ এখন বৈঠকৰ আয়োজন কৰিছে।

৩। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি বিকানেৰত সীমান্ত সুৰক্ষা বাহিনীৰ ছানছু সীমান্ত চকী পৰিদৰ্শন কৰিব।

৪। জম্মু-কাশ্মীৰৰ গুলমাৰ্গৰ ৰোপৱেত কাৰিকৰী বিজুতিৰ বাবে আৱদ্ধ হৈ থকা সকলো পৰ্যটককে নিৰাপদে উদ্ধাৰ কৰা হৈছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ প্ৰথমখন কোৱালিফায়াৰ খেলত আজি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজিৰে পৰা তিনিদিনীয়া ভ্ৰমণসূচী লৈ ছিকিমলৈ যাব। এই সময়ছোৱাত তেওঁ বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ লগতে কেইবাটাও স্থান ভ্ৰমণ কৰিব। ছিকিম চৰকাৰে তেওঁক আদৰণি জনোৱাৰ উদ্দেশ্যে বিস্তৃত কাৰ্যসূচী গ্ৰহণ কৰিছে।

আজি সন্ধিয়া ৰাষ্ট্ৰপতিগৰাকীয়ে গেংটকৰ নামগ্যাল ইনষ্টিটিউট অৱ তিবেতল’জী পৰিদৰ্শন কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আজি অৰ্কিডৰিয়ামলৈ যাব আৰু গেংটকৰ মহিলাসকলৰ বাবে পিংক বাছ উদ্বোধন কৰিব।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কাইলৈ নাথুলাপাছ ভ্ৰমণ কৰি তাত নিয়োজিত জোৱানসকলৰ সৈতে মত বিনিময় কৰিব। একেদিনাই তেওঁ গেংটকৰ ছিকিম বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন সমাৰোহতো অংশগ্ৰহণ কৰিব। এই ভ্ৰমণৰ অন্তিম দিনা তেওঁ গেংটকৰ পালজ’ৰ ষ্টেডিয়ামত হ’বলগীয়া এটা অনুষ্ঠানত ছিকিম আৰক্ষীক ৰাষ্ট্ৰপতিৰ পুলিচ কালাৰ প্ৰদান কৰিব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে আজি নতুন দিল্লীত কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ বৈদেশিক মন্ত্ৰীসকলৰ এখন বৈঠকৰ আয়োজন কৰিছে। বৈঠকত অষ্ট্ৰেলিয়াৰ বিদেশ মন্ত্ৰী পেনি ৱং, জাপানৰ বিদেশ মন্ত্ৰী ট’চিমিটছু ম’টেগি আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰী মাৰ্কো ৰুবিঅ’ই অংশগ্ৰহণ কৰিব। বৈঠকত মন্ত্ৰীসকলে বিভিন্ন গুৰুত্বপূৰ্ণ খণ্ডত কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ দেশসমূহৰ মাজত সহযোগিতা ত্বৰান্বিত কৰাৰ বিষয়ে মত বিনিময় কৰিব। বৈঠকত মন্ত্ৰীসকলে কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ দেশসমূহে ইতিমধ্যে ৰূপায়ণ কৰি থকা বিভিন্ন উদ্যমৰ পৰ্যালোচনা কৰাৰ লগতে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ শেহতীয়া পৰিস্থিতি আৰু উমৈহতীয়া স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক বিষয়লৈও আলোচনা কৰিব। আজিৰ বৈঠকত মন্ত্ৰীসকলে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলক লৈ বিগত বৰ্ষৰ ১ জুলাইত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটন ডিচিত অনুষ্ঠিত বৈঠকৰ আলোচনাৰ সিদ্ধান্তসমূহৰো পৰ্যালোচনা কৰিব।

বৈঠকত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে অষ্ট্ৰেলিয়া আৰু জাপানৰ বিদেশ মন্ত্ৰীদ্বয় আহি কালি নতুন দিল্লীত উপস্থিত হয়। ইপিনে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰীগৰাকী চাৰিদিনীয়া ভ্ৰমণসূচীৰে যোৱা ২৩ মে'ৰ পৰা ভাৰততে আছে।

কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ বিদেশ মন্ত্ৰীসকলৰ বৈঠকৰ পূৰ্বে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ কালি জাপানৰ বিদেশ মন্ত্ৰী ট'চিমিটছু ম'টেগিৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত মিলিত হয়। বৈঠকৰ সময়ত ড০ জয়শংকৰে কয়, যে উভয় দেশৰ মাজত বিশেষ কৌশলগত আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ সম্পৰ্ক আছে। বৈঠকত দুয়োগৰাকী মন্ত্ৰীয়ে ভাৰত আৰু জাপানৰ দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশৰ পৰ্যালোচনা কৰাৰ লগতে বিভিন্ন আন্তঃৰাষ্ট্ৰীয় আৰু আঞ্চলিক বিষয় সন্দৰ্ভত আলোচনা কৰে।

**বাইট (ড০ এছ জয়শংকৰ)**

০০০০০

কেন্দ্ৰীয় গৃহ তথা সমবায় মন্ত্ৰী অমিত শ্বাহে যোৱা নিশা দুদিনীয়া ভ্ৰমণসূচী লৈ বিকানেৰত উপস্থিত হয়। তেওঁ আজি তাত কেইবালানিও অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

সীমান্ত সুৰক্ষা বাহিনীৰ ১৭৯ নম্বৰ বেটেলিয়ানৰ ছানছু সীমান্ত চকীত আজি পুৱা চাৰে ১০ বজাত প্ৰথমটো কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই অনুষ্ঠানৰ সময়তে প্ৰহৰী সন্মিলন অনুষ্ঠিত হ'ব আৰু ভাৰ্চুৱেল মাধ্যমেৰে মহিলা ছাউনী উদ্বোধন কৰা হ'ব। গৃহমন্ত্ৰীগৰাকীয়ে সীমান্তত নিয়োজিত বিএছ্এফৰ জোৱানসকলক সেৱা আৰু নিষ্ঠাৰ বাবে উৎসাহিত কৰাৰ উদ্দেশ্যে তেওঁলোকৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত বিকানেৰ বিএছএফ খণ্ডৰ মুখ্য কাৰ্যালয়ত সীমান্ত সম্পৰ্কীয় বিষয়ত এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হ'ব। বৈঠকত সীমান্ত সুৰক্ষা, স্মাৰ্ট ফেন্সিং, ড্ৰ'ন পৰ্যবেক্ষণ আৰু সীমান্ত অঞ্চলত অনুপ্ৰৱেশ ৰোধৰ বাবে আধুনিক প্ৰযুক্তি ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে পৰৱৰ্তী কেইটামান দিনত ভাৰতৰ সীমান্ত অঞ্চলসমূহ পৰিদৰ্শন কৰিব আৰু প্ৰতিৰক্ষা সম্পৰ্কীয় এলানি উচ্চ পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰিব। মন্ত্ৰীগৰাকীয়ে অহা ২৯ মে'ত গুজৰাটৰ ভূজৰ আৰু ৫ জুনত ত্ৰিপুৰাৰ সীমান্ত অঞ্চলসমূহ পৰিদৰ্শন কৰিব। ইয়াৰ পাছত মন্ত্ৰীগৰাকীয়ে পশ্চিমবংগৰ সীমান্ত অঞ্চলসমূহ পৰিদৰ্শন কৰাৰ কথা আছে।

০০০০০

জম্মু-কাশ্মীৰৰ গুলমাৰ্গ গণ্ডোলা ৰ'পৱেত কাৰিকৰী বিজুতিৰ বাবে আৱদ্ধ হৈ থকা সকলো পৰ্যটকক নিৰাপদে উদ্ধাৰ কৰা হৈছে। বিষয়াসকলে জনোৱা অনুসৰি এই ৰ'পৱেৰ ৬৫টা কেবিনেটত ৩০০ৰো অধিক পৰ্যটক আৱদ্ধ হৈ পৰিছিল। এন ডি আৰ এফ, এছ ডি আৰ এফ, জম্মু আৰু কাশ্মীৰ আৰক্ষী, সেনাবাহিনীৰ চিনাৰ ক'প্‌ছ আৰু স্থানীয় প্ৰশাসনে চলোৱা উদ্ধাৰ অভিযানত সকলো পৰ্যটকক সুৰক্ষিতভাৱে উদ্ধাৰ কৰা হয় বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

আয়ুষ মন্ত্ৰী প্ৰতাপ ৰাও যাদৱে যোগ আৰু প্ৰাকৃতিক চিকিৎসাৰ জৰিয়তে চৰকাৰে সমগ্ৰ দেশতে প্ৰতিৰোধমূলক স্বাস্থ্য সেৱা শক্তিশালী কৰি তুলিছে বুলি মত পোষণ কৰিছে। নতুন দিল্লীত কালি আয়ুষ মন্ত্ৰালয়ৰ সংসদীয় পৰামৰ্শদাতা সমিতিৰ চতুৰ্থখন বৈঠকত অধ্যক্ষতা কৰি শ্ৰীযাদৱে কয়, যে যোগ আৰু প্ৰাকৃতিক চিকিৎসা হৈছে সামগ্ৰিক তথা প্ৰতিৰোধমূলক স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত ভাৰতৰ কালজয়ী অৱদান আৰু ই বিশ্ব সুস্থতা আন্দোলনৰ গুৰুত্বপূৰ্ণ স্তম্ভ হিচাপে আত্মপ্ৰকাশ কৰিছে। বৈঠকত ভাৰতত যোগ আৰু প্ৰাকৃতিক চিকিৎসা খণ্ডৰ সম্প্ৰসাৰণত গুৰুত্ব আৰোপ কৰা হয় আৰু পৰম্পৰাগত স্বাস্থ্য সেৱা ব্যৱস্থাৰ বিশ্বব্যাপী প্ৰচাৰ সম্পৰ্কীয় পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰা হয়। ২০১৪ চনত ৰাষ্ট্ৰসংঘই ২১ জুনৰ

দিনটো আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস হিচাপে ঘোষণা কৰাৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে ইয়াক ভাৰতৰ সাংস্কৃতিক কূটনীতি আৰু বিশ্ব নেতৃত্বৰ বাবে ঐতিহাসিক কৃতিত্ব বুলি অভিহিত কৰে। তেওঁ কয়, যে দেশত প্ৰাকৃতিক চিকিৎসা তথা যোগ বিজ্ঞানৰ স্নাতক উপাধি অৰ্জনৰ বাবে ৭০ খনতকৈও অধিক মহাবিদ্যালয় স্থাপন কৰা হৈছে। দেশত সম্প্ৰতি ৫ হাজাৰতকৈও অধিক যোগ প্ৰশিক্ষণ কেন্দ্ৰই সক্ৰিয়ভাৱে কাম কৰি আছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ প্ৰথমখন কোৱালিফায়াৰ খেলত আজি যোৱাবাৰৰ বিজয়ী ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ধৰমশালাত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। আজিৰ খেলখনত জয়লাভ কৰা দলটোৱে পোনপটীয়াভাৱে প্ৰতিযোগিতাৰ ফাইনেলত স্থান নিশ্চিত কৰিব। ইপিনে আজিৰ খেলখনত পৰাস্ত হোৱা দলটোৱে দ্বিতীয়খন কোৱালিফায়াৰ খেলৰ জৰিয়তে ফাইনেলত প্ৰৱেশৰ আন এটা সুযোগ পাব।

প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলখন কাইলৈ মোহালীৰ নিউ চণ্ডীগড়ত সন্ধিয়া চাৰে ৭ বজাত খেলোৱা হ'ব। খেলখনত ছানৰাইজাৰ্ছ হায়দৰাবাদ ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব। কাইলৈৰ খেলখনত জয়ী হোৱা দলটো দ্বিতীয়খন কোৱালিফায়াৰত আজিৰ খেলত পৰাস্ত দলটোৰ মুখামুখি হ'ব। খেলখন অহা শুকুৰবাৰে নিউ চণ্ডীগড়ত অনুষ্ঠিত হ'ব। অৱশ্যে কাইলৈৰ খেলখনত পৰাস্ত হোৱা দলটো প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ব।

উল্লেখযোগ্য যে ১৪ খন খেলৰ পৰা ১৮ পইণ্ট অৰ্জনেৰে পইণ্ট তালিকাত শীৰ্ষ স্থান লাভ কৰি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমটো দল হিচাপে এইবেলি প্লে অফত প্ৰৱেশ কৰিছিল। গ্ৰুপ পৰ্যায়ত গুজৰাট টাইটানছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদেও ১৮ পইণ্টকৈ অৰ্জন কৰিছিল যদিও উন্নত নেট ৰান ৰেটৰ ভিত্তিত বেংগালুৰুৱে তালিকাত প্ৰথম স্থান অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হয়। ইপিনে ১৬ পইণ্টেৰে ৰাজস্থানে চতুৰ্থ তথা প্লে অফৰ অন্তিমটো স্থান দখল কৰে।

০০০০০

ভাৰতৰ তাৰকা খেলুৱৈদ্বয় লক্ষ্য সেন আৰু পি ভি সিন্ধুৱে আজিৰে পৰা আৰম্ভ হ'বলগীয়া ছিংগাপুৰ অপেন ছুপাৰ ছেভেন ফিফটি বেডমিণ্টন প্ৰতিযোগিতাত দেশৰ প্ৰত্যাশাৰ ভাৰ বহন কৰিব। প্ৰতিযোগিতাত আয়ুষ ছেট্টি, কিদাম্বী শ্ৰীকান্ত আৰু এইচ এছ প্ৰণয়েও দেশৰ হৈ পদক অৰ্জনৰ আপ্ৰাণ প্ৰয়াস চলাব। কমনৱেল্‌থ গেমছত স্বৰ্ণ পদক অৰ্জন কৰা লক্ষ্য সেন প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডত চীনৰ লু গুৱাং জুৰ মুখামুখি হ'ব। ইপিনে প্ৰণয়ে প্ৰথম ৰাউণ্ডত ইণ্ডোনেছিয়াৰ পঞ্চম বাছনিপ্ৰাপ্ত জোনাটান ক্ৰিষ্টিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰথম ৰাউণ্ডত বিশ্বক্ৰমৰ প্ৰাক্তন শীৰ্ষস্থানৰ খেলুৱৈ শ্ৰীকান্ত স্থানীয় ল'হ কিন য়িউৰ আৰু আয়ুষ ছেট্টি কানাডাৰ ভিক্টৰ লাইৰ মুখামুখি হ'ব।

ইপিনে মহিলাৰ ছিংগলছত অলিম্পিকত দুবাৰকৈ পদক অৰ্জন কৰা পি ভি সিন্ধুৱে প্ৰথম ৰাউণ্ডত বিশ্বক্ৰমৰ ষষ্ঠ স্থানৰ খেলুৱৈ ইণ্ডোনেচিয়াৰ পুত্ৰী কুসুমা ৱাৰ্ডানীৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব। একেদৰে প্ৰথম ৰাউণ্ডত বিশ্বক্ৰমৰ ২২ সংখ্যক স্থানৰ খেলুৱৈ উন্নতি হুডা অষ্টম বাছনিপ্ৰাপ্ত জাপানৰ টম'কা মিয়াজাকি আৰু মালবিকা বান্সোৰ চীনা টাইপেইৰ লিন চিয়াং টীৰ মুখামুখি হ'ব।

০০০০০

সমাপ্ত